# KRISHNA KANTA HANDIQUI STATE OPEN UNIVERSITY

## MA Assamese 3rd Sem. Examination, 2014

কাকত ঃ দ্বাদশ (সংস্কৃত সাহিত্যৰ নিৰ্বাচিত পাঠ)

(সাহিত্য)

সময় ঃ তিনি ঘণ্টা — মুঠ নম্বৰ ঃ ৮০

১. তলৰ প্ৰশ্নসমূহৰ যিকোনো পাঁচটাৰ উত্তৰ লিখক। ২×৫ = ১০

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) মহাভাৰতৰ মুখ্য ৰচক কোন? তেওঁ ৰচনা কৰা মূল কাব্যখন কি আৰু উক্ত বাক্যখনত কিমান শ্লোক আছে লিখক।

(খ) মহাভাৰতৰ পৰ্বসমূহৰ নাম লিখক।

(গ) 'ৰামায়ণ'ক আদিকাব্য ৰূপে অভিহিত কৰাৰ তাৎপৰ্য কি চমুকৈ লিখক।

(ঘ) 'ৰামায়ণ'ত কেইটা কাণ্ড আছে? কাণ্ডবোৰৰ নাম লিখক।

(ঙ) 'কুমাৰসম্ভৱম্' বা 'জানকীহৰণম্' কাব্যৰ বিষয়ে চমুকৈ লিখক।

(চ) 'ৰঘুবংশম্' মহাকাব্যৰ আধাৰ গ্ৰন্থ কি?

(ছ) অনসূয়া আৰু প্ৰিয়ম্বদা কোন? 'অভিজ্ঞানশকুন্তলম্' নাটকত তেওঁলোকৰ গুৰুত্ব কি?

২. তলৰ প্ৰশ্নসমূহৰ যিকোনো তিনিটাৰ উত্তৰ লিখক। ৪×৩ = ১২

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০-১৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) অশ্বঘোষ কোন আছিল? তেওঁৰ সাহিত্যকৃতিৰ চমু পৰিচয় দিয়ক।

(খ) সংস্কৃত নাটকৰ লক্ষণসমূহ কি কি? আলোচনা কৰক।

(গ) গীতিকাব্যৰ উৎস কি? সংস্কৃত গীতিকাব্যক কেই ভাগত ভগোৱা হৈছে?

(ঘ) নন্দিনীয়ে দিলীপক কেনেদৰে পৰীক্ষা কৰিছিল লিখক।

(ঙ) সিংহ আৰু দিলীপৰ কথোপকথন নিজৰ ভাষাত লিখক।



৩. তলৰ প্ৰশ্নসমূহৰ যিকোনো তিনিটাৰ উত্তৰ লিখক। ৬×৩ = ১৮

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২০০-২৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) 'অভিজ্ঞানশকুন্তলম্'ৰ শকুন্তলা চৰিত্ৰটো বিশ্লেষণ কৰক।

(খ) 'ৰঘুবংশম্' মহাকাব্যৰ প্ৰথম সৰ্গ দুটাৰ কাব্যিক সৌন্দৰ্য নিজৰ ভাষাত বৰ্ণনা কৰক।

(গ) 'অভিজ্ঞানশকুন্তলম্' নাটকখনৰ অংক কেইটা? সপ্তম অংকটোৰ তাৎপৰ্য কি আলোচনা কৰক।

(ঘ) কালিদাসৰ নাট্যপ্ৰতিভাৰ বিচাৰ কৰক।

(ঙ) 'বসন্তসেনা' চৰিত্ৰটো চমুকৈ আলোচনা কৰক।

৪. তলৰ প্ৰশ্নসমূহৰ যিকোনো চাৰিটাৰ উত্তৰ লিখক। ১০×৪ = ৪০

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৪০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) 'অভিজ্ঞানশকুন্তলম্' নাটকত প্ৰকৃতিৰ মনোৰম বৰ্ণনা কেনেদৰে দাঙি ধৰা হৈছে আলোচনা কৰক।

(খ) বিশিষ্ট আলংকাৰিক বিশ্বনাথে চম্পূকাব্যৰ কি সংজ্ঞা দাঙি ধৰিছে? প্ৰধান চম্পূকাব্যসমূহৰ বিষয়ে আলোচনা কৰক।

(গ) ৰামায়ণ আৰু মহাভাৰতৰ তুলনামূলক আলোচনা কৰক।

(ঘ) কালিদাসৰ পৰৱৰ্তী সময়ৰ নাট্যকাৰসকলৰ নাট্যকৰ্মৰ বিষয়ে এটি আলোচনা দাঙি ধৰক।

(ঙ) প্ৰকৰণ কি? প্ৰকৰণৰ লক্ষণ 'মৃচ্ছকটিকম্' নাটকখনত কেনেদৰে প্ৰকাশ পাইছে আলোচনা কৰক।

(চ) 'মৃচ্ছকটিকম্' নাটকত সমসাময়িক ভাৰতীয় সমাজ-জীৱনৰ চিত্ৰ কেনেদৰে প্ৰতিফলিত হৈছে আলোচনা কৰক।